জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪৬/২০২১**

# বশিষ্ঠ শ্মশান পৰিদৰ্শন কৰি আন্তঃগাঁথনিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৩ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বশিষ্ঠ শ্মশান পৰিদৰ্শন কৰি নিৰ্মীয়মান বিভিন্ন আন্তঃগাঁথনিৰ চৰজমিন বুজ লয়। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে বশিষ্ঠ শ্মশানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বৰ্তমান ৰূপায়িত হৈ থকা প্ৰকল্পৰ বুজ লোৱাৰ উপৰি প্ৰকল্পৰ অধীনত বৰ্তমানে নিৰ্মীয়মান হৈ থকা পুখুৰীটো পৰিদৰ্শন কৰে। উল্লেখ্য যে শ্মশানখনৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে আশ্ৰম কৰ্তৃপক্ষ, শ্মশান সমিতি আৰু প্ৰাগ নিউজৰ স্বত্বাধিকাৰী সঞ্জীৱ নাৰায়ানৰ উদ্যোগত এক প্ৰকল্প ৰূপায়িত হৈ আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে উক্ত শ্মশানত ক'ভিড ৰোগীৰ অন্তিম সংস্কাৰ কৰাৰ বাবে ৰখা সুকীয়া ব্যৱস্থাৱলীৰো বুজ লয়। আনহাতে বশিষ্ঠাশ্ৰমত উপস্থিত হোৱাৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাক বশিষ্ঠাশ্ৰম পৰিচালনা সমিতিৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

ইয়াৰ পিছত সাংবাদিকৰে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে বশিষ্ঠ শ্মশানৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে বশিষ্ঠ মন্দিৰ পৰিচালনা সমিতি, শ্মশান সমিতি আৰু প্ৰাগ নিউজৰ স্বত্বাধিকাৰী সঞ্জীৱ নাৰায়ণে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। বশিষ্ঠাশ্ৰমৰ প্ৰাকৃতিক সৌন্দৰ্য ওভতাই আনি ইয়াক পৰিকল্পিতভাৱে সজাই পৰাই তোলাৰ দিশত চৰকাৰে পদক্ষেপ ল'ব বুলি তেওঁ কয়।

আজিৰ এই পৰিদৰ্শনৰ সময়ত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, প্ৰাগ নিউজৰ স্বত্বাধিকাৰী সঞ্জীৱ নাৰায়নৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২৩/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in